# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-04-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
**- - - - - - -**

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনলৈ মাজত মাথোঁ ৮টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। লগতে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও দলসমূহে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। ইফালে, বিহুৰ পাছতে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ অহাৰ কথা। প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৭ এপ্ৰিলত ৰাজ্যখনত প্ৰচাৰ চলাব। আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে ১৬ এপ্ৰিলত ৰাজ্যখনত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব। দলৰ নেতা ৰাহুল গান্ধীয়ে যোৰহাট আৰু ডিব্ৰুগড়ৰ কংগ্ৰেছ তথা সন্মিলিত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ মাৰ্ঘেৰিটাৰ বৰগোলাই খেলপথাৰত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে নাহৰকটীয়া, দুলীয়াজান আৰু খোৱাঙৰ জনসভাতো অংশ লয়।

ইফালে, শ্ৰী সোণোৱালে আজি ডিগবৈ বিধানসভা সমষ্টিৰ টঙনা ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। প্ৰাৰ্থীগৰাকীয়ে দুই নম্বৰ বেটনী ৰংগমঞ্চ, দুৱাৰমৰা আদৰ্শ গাঁও খেলপথাৰ আৰু পেঙেৰী প্ৰগতিশীল সংঘৰ লগতে ডিগবৈ মণ্ডলত খেৰজান বিহুতলী, মুলিয়াবাৰী নৱ যুৱক সংঘ, কালিপূজা খেলপথাৰ, মিছনপাৰা আৰু কালীবাৰী হাউছিং এলেকাত প্ৰচাৰ চলায়।

বিজেপিৰ নেতা তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ বজালীত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

আনহাতে ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্য মঞ্চৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি টিংখাং বিধানসভা সমষ্টিত কেইবাটাও নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত ভাগ লয়।

আনহাতে, বিজেপি মিত্ৰজোঁটৰ যোৰহাট লোকসভা সমষ্টিৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে আজি তিতাবৰ আৰু মাজুলীত ১২ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। লগতে প্ৰাৰ্থীগৰাকীয়ে মাজুলীতো আজি প্ৰচাৰ চলায়। তেওঁ মাজুলীৰ কৰতীপাৰ, শ্ৰীলুইত, চিলাকলা, দক্ষিণ কমলাবাৰী আদি অঞ্চলত প্ৰচাৰ চলায়। দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই প্ৰাৰ্থীগৰাকীক সংগ দিয়ে।

গুৱাহাটী লোকসভা সমষ্টিৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি গুৱাহাটীৰ মালিগাঁও, সুন্দৰবড়ী, গণেশপাৰা, লাচিতঘাট আৰু নেপালী মন্দিৰত প্ৰচাৰ চলায়।

আজি কলিয়াবৰত কাজিৰঙা সংসদীয় সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ মন্ত্ৰী কেশৱ মহন্ত আৰু দলৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতাই প্ৰচাৰ চলায়। কলিয়াবৰৰ মিছা, ধনেখোৱা আৰু জখলাবন্ধাত দুয়োগৰাকী নেতাই প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। প্ৰাৰ্থীগৰাকীৰ হৈ আজি মন্ত্ৰী অজন্তা নেওগে গোলাঘাট বিধানসভা সমষ্টিত তিনিখনকৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশত দৰিদ্ৰতা নিৰ্মূল হোৱা বুলি উল্লেখ কৰি তেওঁ ২০৪৭ চনৰ ভিতৰত ভাৰত এখন শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব বুলিও মন্তব্য কৰে।

সমান্তৰালকৈ সমষ্টিটোৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি ১৪ খন নিৰ্বাচনী সভাত ভাগ লোৱাৰ কথা। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই শোণিতপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৰ হৈ তেজপুৰত নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

ইপিনে, পঞ্জাৱৰ মুখ্যমন্ত্ৰী তথা আপৰ নেতা ভগৱন্ত মান কাইলৈ দুদিনীয়া নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীৰে অসমত উপস্থিত হ'ব। তেওঁ ডিব্ৰুগড় সমষ্টিত দলীয় প্ৰাৰ্থী মনোজ ধনোৱাৰৰ হৈ তিনিচুকীয়া জিলাৰ টিংৰাইত নিৰ্বাচনী সমাৱেশত অংশ ল'ব। ১৩ এপ্ৰিলত নেতাগৰাকীয়ে শোণিতপুৰ সমষ্টিত আপৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্দিন্যৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব।

ooooo

কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে আজি গুৱাহাটীত এখন সংবাদমেলত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰক সমালোচনা কৰে। তেওঁ কয় যে ২০০৪ চনত ২০ দিনৰ ভিতৰত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল, যদিও ডিজিটেল ইণ্ডিয়াৰ সময়ত এতিয়া নিৰ্বাচনৰ বাবে ৪০ দিনৰ প্ৰয়োজন হৈছে। ২০২৪ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে প্ৰতিশ্ৰুতি দিয়াৰ বিপৰীতে বিজেপিয়ে ভিত্তিহীন কথাৰে প্ৰচাৰ চলাইছে বুলিও তেওঁ অভিযোগ কৰে। এইবাৰৰ নিৰ্বাচন বিচাৰধাৰা, সংবিধান আৰু গণতন্ত্ৰ ৰক্ষাৰ যুঁজ বুলি তেওঁ মন্তব্য কৰে।

ooooo

আজি পৱিত্ৰ ঈদ-উল-ফিটৰ। শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তাৰে সমগ্ৰ দেশৰ লগতে ৰাজ্যতো ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ উদযাপন কৰিছে। পৱিত্ৰ ৰমজান মাহৰ এমহীয়া ৰোজাৰ অন্তত আজি পুৱাই সমূহীয়া নামাজ পঢ়িবলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকল ৰাজহুৱা ইদগাহ ময়দান আৰু মহজিদ সমূহৰ চৌহদত সমৱেত হয়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৱিত্ৰ ঈদ-উল-ফিটৰ উপলক্ষে উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত আজি পুৱা ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হয়। জিলাখনৰ ৰঙিয়াৰ, কমলপুৰ, বেজেৰা, মুক্তাপুৰ, আমিনগাঁও, বাইহাটা, মিৰ্জা, ছয়গাঁও, বকো, নগৰবেৰা, গৰৈমাৰী, বিজয়নগৰত এই উৎসৱ পালন কৰা হয়। আজি পুৱাৰ ভাগত সহস্ৰাধিক লোকে গুৱাহাটীৰ মাছখোৱা, হাতীগাঁও, জালুকবাৰী, গাৰীগাঁও ঈদগাহ ময়দানত নামাজ উপলক্ষে সমবেত হয়। আনহাতে গোৱালপাৰা চহৰৰ নয়াপাৰা ঈদগাহ ময়দানত ১০ সহস্ৰাধিক লোকে ঈদৰ নামাজ পঢ়িবলৈ সমবেত হয়। তদুপৰি জিলাখনৰ লখিপুৰ, শিমলিতোলা, ধূপধৰা, মাটিয়া, আমবাৰী, জলেশ্বৰ আদি অঞ্চলৰ ইছলাম ধৰ্মাৱলম্বী লোকে এই উৎসৱ উলহ-মালহেৰে উদযাপন কৰে। ইপিনে শিৱসাগৰৰ ৰংঘৰ চাৰিআলি, দৰবাৰ খেলপথাৰ, জেঙনিকটীয়া, ষ্টেচন চাৰিআলি আদি বিভিন্ন স্থানত ঈদৰ সমূহীয়া নামাজত বহু লোকে অংশগ্ৰহণ কৰে।

০০০০০

সমাপ্ত